# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 18-04-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। আমেৰিকা আৰু ইৰাণৰ মাজত কাইলৈ ৰোমত হ'বলগীয়া দ্বিতীয়লানি পৰমাণু আলোচনাত ওমানৰ বিদেশ মন্ত্ৰালয়ে মধ্যস্থতাকাৰীৰ ভূমিকা অব্যাহত ৰাখিব বুলি নিশ্চিতি প্ৰদান কৰিছে।

২। মালয়েছিয়াৰ কুৱালালামপুৰত আজিৰেপৰা হ'বলগীয়া মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব।

৩। সমগ্ৰ বিশ্বতে আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই বছৰ এই দিৱসৰ বিষয় বস্তু হৈছে ঃ ঐতিহ্যমণ্ডিত স্থানসমূহত দুৰ্যোগ আৰু সংঘাতৰ ভাবুকি।

৪। আমেৰিকাৰ ফ্ল'ৰিডা ষ্টেট ইউনিভাৰচিটীত হোৱা গুলীয়াগুলীৰ ঘটনাত দুজন লোক নিহত হোৱাৰ লগতে আন ৬ জন আহত হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হোৱা এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

আমেৰিকা আৰু ইৰাণৰ মাজত কাইলৈ ৰোমত হ'বলগীয়া দ্বিতীয়লানি পৰমাণু আলোচনাত ওমানৰ বিদেশ মন্ত্ৰালয়ে মধ্যস্থতাকাৰীৰ ভূমিকা অব্যাহত ৰাখিব বুলি নিশ্চিতি প্ৰদান কৰিছে। মন্ত্ৰালয়ে এখন বিজ্ঞপ্তি যোগে কৈছে, যে যুক্তিগত কাৰণতেই ইটালীৰ ৰাজধানীখনক আলোচনাৰ নতুন স্থান হিচাপে বাছি লোৱা হৈছে। এই আলোচনাৰ জৰিয়তে বিষয়টো সন্দৰ্ভত এখন স্থায়ী চুক্তিৰ দিশে আগবাঢ়িব পৰা যাব বুলি মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে। আলোচনাৰ প্ৰতি আগবঢ়োৱা সহযোগিতা আৰু সমৰ্থনৰ বাবে মন্ত্ৰালয়ে ইটালী চৰকাৰৰো শলাগ লৈছে।

উল্লেখযোগ্য যে, বিষয়টো সন্দৰ্ভত আমেৰিকা আৰু ইৰাণৰ মাজত যোৱা ১২ এপ্ৰিলত প্ৰথমলানি আলোচনা অনুষ্ঠিত হৈছিল।

ooooo

মালয়েছিয়াৰ কুৱালালামপুৰত আজিৰেপৰা হ'বলগীয়া মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত দেশৰ উত্তৰ- পূৰ্বাঞ্চলত বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ

প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ ল'ব। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

০০০০০

সমগ্ৰ বিশ্বতে আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটোত কীৰ্তি চিহ্ন আৰু ঐতিহ্যৰ স্থানসমূহৰ দিন হিচাপেও জনা যায়। এই বছৰ এই দিৱসৰ বিষয় বস্তু হৈছে ঃ ঐতিহ্যমণ্ডিত স্থানসমূহত দুৰ্যোগ আৰু সংঘাতৰ ভাবুকি। বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষা তথা সেইসমূহৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। বিগত বছৰসমূহত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ভাৰতৰ স্থিতি উন্নত হৈ উঠা পৰিলক্ষিত হৈছে। এই তালিকাত ভাৰতৰ ৪৩টা স্থান অন্তৰ্ভুক্ত হৈ আছে আৰু ৬২টা স্থান এতিয়াও ইউনেস্ক'ৰ সম্ভাব্য তালিকাত মনোনীত হৈ আছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকত ১৯৮৩ চনত আগ্ৰা কিলাৰ অন্তৰ্ভুক্তিৰ পাছত তাজমহল, অজন্তা আৰু ইলোৰা গুহাৰ অন্তৰ্ভুক্তিৰে ভাৰতৰ এই যাত্ৰাৰ আৰম্ভণি হৈছিল। এই স্থানসমূহক ইতিহাসৰ প্ৰতীক হিচাপে সংৰক্ষণ কৰাই নহয় বৰং আহিবলগীয়া প্ৰজন্মসমূহৰ বাবে শিকনৰ স্থান হিচাপেও সংৰক্ষণ কৰা হৈছে। এই দিৱস উপলক্ষে আজি ভাৰতৰ পুৰাতত্ত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ দৰ্শনৰ বাবে জনসাধাৰণৰ প্ৰৱেশ বিনামূলীয়া কৰিছে।

০০০০০

আমেৰিকাৰ ইমিগ্ৰেচন আৰু কাষ্টম এনফ'ৰ্চমেণ্টে পঞ্জাৱৰ ১৪টা স্থানত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিকল্পনাৰ সৈতে জড়িত কুখ্যাত গেংষ্টাৰ হৰপ্ৰীত সিং ওৰফে হেপী পাছিয়াক নিজৰ জিম্মাত লৈছে। ভাৰতৰ ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা, নিয়াই দুৰ্ধৰ্ষ গেংষ্টাৰ হৰপ্ৰীত সিঙক বিচাৰি আছিল। চলিত বছৰৰ আৰম্ভণিতে চণ্ডীগড়ৰ এটা ঘৰত আৰু পঞ্জাৱৰ এটা আৰক্ষী চকীত গ্ৰেনেড আক্ৰমণৰ ঘটনাত জড়িতৰ অভিযোগত হৰপ্ৰীত সিঙৰ সন্ধান দিওতাৰ বাবে ৫ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল।

পাকিস্তান স্থিত গেংষ্টাৰ তথা সন্ত্ৰাসবাদী হৰবিন্দৰ সিং সান্ধুৰ সৈতে সু-সম্পৰ্ক থকা হৰপ্ৰীত পাছিয়াই পঞ্জাৱত বিভিন্ন সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত বুলি অভিযোগ উত্থাপিত হৈ আহিছিল।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আৰু ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিয়ে সম্ভাব্য আমেৰিকা আৰু ইউৰোপৰ বাণিজ্য চুক্তিক লৈ ইতিবাচক মত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে এয়া এখন বাণিজ্য চুক্তি হ'ব আৰু ই ১০০ শতাংশ ন্যায্য চুক্তি ৰূপে বিবেচিত হ'ব। প্ৰধানমন্ত্ৰী মেলনীয়ে কয়, যে এই চুক্তিয়ে লক্ষ্যত উপনীত হোৱাত সহায় কৰাৰ লগতে পশ্চিমক পুনৰ মহীয়ান কৰিব। এটা যুটীয়া সংবাদ সন্মিলনত দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা, এমিগ্ৰেচন আৰু শুল্ক সন্দৰ্ভত আলোচনা কৰা বুলি প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পে শুল্ক আৰোপ কৰা আৰু স্থগিত ৰখাৰ পাছত ৱাশ্বিংটন ভ্ৰমণ কৰা ইটালীয়ান প্ৰধানমন্ত্ৰী মেলানি হৈছে প্ৰথমগৰাকী ইউৰোপীয় নেত্ৰী। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে আমেৰিকাই শুল্ক আৰোপ কৰাটো একেবাৰে ভুল বুলি প্ৰকাশ কৰিছে।

০০০০০

আমেৰিকাৰ ফ্ল'ৰিডা ষ্টেট ইউনিভাৰচিটীত হোৱা গুলীয়াগুলীৰ ঘটনাত দুজন লোক নিহত হোৱাৰ লগতে আন ৬ জন আহত হৈছে। দেশখনৰ প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি সন্দেহজনক বন্দুকধাৰী লোকজনক গুলীওৱা হৈছে আৰু তেওঁক জিম্মাত লোৱা হৈছে। ফ্ল'ৰিডা ষ্টেট ইউনিভাৰচিটীত আৰক্ষীৰ মুৰববী জেছন ট্ৰম্ব'ৰৰ কৈছে, যে এই ঘটনাত নিহত লোক দুজন শিক্ষাৰ্থী নহয়। এই ঘটনাত অভিযুক্ত লোকজন বিশ্ববিদ্যালয়খনৰেই এগৰাকী ছাত্ৰ ফনিক্স ইকনৰ বুলি চিনাক্ত কৰা হৈছে। বৰ্তমান বিশ্ববিদ্যালয়খনৰ চৌহদ সম্পূৰ্ণ সুৰক্ষিত আৰু ঘটনাৰ তদন্ত অব্যাহত আছে বুলি আৰক্ষী প্ৰশাসনে জানিবলৈ দিয়ে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে এই ঘটনাক অত্যন্ত লজ্জাজনক আৰু দুখজনক বুলি আখ্যা দিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে ৱক্ফ সংশোধনী আইন সন্দৰ্ভত কালি অন্তৰৰ্তীকালীন আদেশ যোগে ৱকফ বোৰ্ডৰ কেন্দ্ৰীয় পৰিষদত কোনো নিযুক্তি দিয়াটো বাৰণ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰ, ৱকফ বোৰ্ড আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহক সাত দিনৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ দিছে।

মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে গোচৰটোৰ শুনানি লৈ ন্যায়ালয়ে চৰকাৰে উত্তৰ দিয়াৰ ৫ দিনৰ ভিতৰত আবেদনকাৰীয়েও উত্তৰ দিব লাগিব বুলি জাননীত উল্লেখ কৰে। এই গোচৰৰ পৰৱৰ্তী শুনানি ৫ মে'ত অনুষ্ঠিত হ'ব।

ইয়াৰ আগেয়ে ন্যায়ালয়ত পৰহি অনুষ্ঠিত শুনানিত কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

১৯৯৫ চনৰ ৱক্ফ আইনৰ সংশোধনীৰ সাংবিধানিক বৈধতাক লৈ কেইবাখনো ৰাজ্যই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

০০০০০

শিখ ধৰ্মাৱলম্বী লোকসকলৰ নৱম গুৰু টেগ বাহাদুৰ চাহিবৰ সোঁৱৰণত আজি পঞ্জাবৰ বিভিন্ন স্থানত পৰকাশ পৰ্ব অনুষ্ঠান উদযাপন কৰা হৈছে। ১৬২১ চনত অমৃতসৰত জন্মগ্ৰহণ কৰা গুৰু হৰগোবিন্দ সিঙৰ ষষ্ঠ সন্তান আছিল গুৰু টেগ বাহাদুৰ চাহিব। তেওঁ ধৰ্মীয় গুৰু তথা কবি হিচাপেও পৰিচিত আছিল। আজি পৰকাশ পৰ্ব উপলক্ষে পঞ্জাবৰ বিভিন্ন ঠাইত নগৰ কীৰ্তন অনুষ্ঠানত আয়োজন কৰা হৈছে। এই দিনটোত শিখ ধৰ্মালম্বী লোকসকলে গুৰুদ্বাৰলৈ গৈ টেগ বাহাদুৰ চাহিবৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ লগতে পৱিত্ৰ গুৰুবাণীৰ পাঠ শুনিব।

০০০০০

চৌদি আৰবৰ ডাম্মামত অনুষ্ঠিত এছিয়ান য়ুথ চেম্পিয়নশ্বিপৰ ১৮ বছৰ অনুৰ্ধৰ মহিলাৰ ১০০ মিটাৰ হাৰ্ডলছত ভাৰতৰ সৌৰ্যা আম্বুৰেই ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ১৫ বছৰীয়া খেলুৱৈগৰাকীয়ে ১৩ দশমিক ৮-০ ছেকেণ্ডত দৌৰ সমাপ্ত কৰি তৃতীয় স্থান দখল কৰে। এই শাখাত চীনৰ বাও য়িনয়িন আৰু হে য়িহুই ক্ৰমে সোণ আৰু ৰূপৰ পদক অৰ্জন কৰে।

০০০০০

ভাৰতৰ সৌৰভ কোঠাৰীয়ে যোৱাবাৰৰ বিজয়ী পংকজ আদানীক পৰাস্ত কৰি ২০২৫ আই বি এছ্‌ এফ বিশ্ব বিলিয়াৰ্ড খিতাপ অৰ্জন কৰিছে। যোৱা বৃহস্পতিবাৰে আয়াৰলেণ্ডৰ কাৰ্লত অনুষ্ঠিত প্ৰতিযোগিতাৰ ৰোমাঞ্চকৰ খেলখনত সৌৰভ কোঠাৰীয়ে ৭২৫-৪৮০ ফলাফলত পংকজ আদানীৰ বিপক্ষে জয়লাভ কৰে। এই জয়েৰে সৌৰভ কোঠাৰী আই বি এছ্‌ এফ আৰু ডব্লিউ বি এল বিশ্ব বিলিয়াৰ্ড সন্মান লাভ কৰা তৃতীয়গৰাকী ভাৰতীয় ৰূপে পৰিগণিত হৈছে। তেওঁৰ ৩২৫ ৰানৰ ব্ৰেকটো মেচখনৰ আটাইতকৈ সুন্দৰ মুহূৰ্তৰ লগতে শেহতীয়া চেম্পিয়নশ্বিপৰ ইতিহাসত উল্লেখনীয় মুহূৰ্ত হিচাপে বিবেচিত হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হোৱা এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৪ উইকেটত পৰাস্ত কৰে। ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা মুম্বাইৰ দলটোৱে ১৮ অভাৰ আৰু এটা বলতেই ৬টা উইকেট হেৰুৱাই ১৬৬ ৰান কৰি বিজয় সাব্যস্ত কৰে। বলৰ হৈ উইল জেকে ২৬টা বলত ৩৬ ৰান আৰু অধিনায়ক হাৰ্দিক পাণ্ডিয়াই মাত্ৰ ৯টা বলত ২১ ৰান কৰে। ইয়াৰ পূৰ্বে ছান ৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৬০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অভিষেক শৰ্মাই সৰ্বাধিক ৪০ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাইৰ হৈ উইল জেকে দুটা উইকেট লাভ কৰে। জেকক প্লেয়াৰ অৱ্‌ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দলেই ৬ খনকৈ খেলৰ পৰা বৰ্তমান ৮ পইণ্টকৈ লাভ কৰি আছে। অৱশ্যে উন্নত ৰান ৰেটৰ বাবে পইণ্ট তালিকাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু তৃতীয় স্থানত আৰু পাঞ্জাৱ কিংছ চতুৰ্থ স্থানত আছে।

০০০০০

**সমাপ্ত**